# আহাঁ ওমলোঁ আমি

(অংকুৰ, নিম্ন কিণ্ডাৰগাৰ্ডেন শ্ৰেণী)



গ্ৰন্থহিলচ্

# আহাঁ ওমলোঁ আমি

## (শিক্ষক বা শিক্ষয়িত্ৰীয়ে শিশুহঁতক পঢ়ি শুনাব)

### অংকুৰ, নিম্ন কিণ্ডাৰগাৰ্ডেন আৰু সমপৰ্যায়ৰ শ্ৰেণীৰ বাবে

সম্পাদনা
গ্ৰহিলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি

গ্ৰহিলচ্ পাব্লিশ্বিং
কমলপুৰ, বৰপেটা (অসম)

**AAHA OMOLO AAMI- A TEXT BOOK OF ASSAMESE RHYMES FOR CLASS ANKURAN/ L.K.G. OR EQUIVALENT** composed by Rabbi Masrur, edited by GrowhillsPublishing Editorial Board and Published by Growhills Publishing.

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying recording or otherwise.

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone in case it is brought to our notice.

**First Publication: July, 2016**

**Price : ............... /-**
(Please buy the book in printed price only)

**Published by**
**GROWHILLS PUBLISHING**
**KAMALPUR, BARPETA (ASSAM)**

# পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ আগকথা

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত আমাৰ অসমৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভুগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভুগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভুগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰুহিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰীণ হিলচ্ ইনফ' পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰুহিলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰুহিলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে বিশিষ্ট শিক্ষাবিদ,গৱেষক আৰু চিন্তাবিদকসলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথি প্ৰণয়ন কৰোঁতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছো যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুসৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিবেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বনানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল ব্যক্তিৰ লগতে কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.)-ৰ পৃষ্ঠপোষকতা, সহযোগ আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

**জানুৱাৰী, ২০১৭**

**প্ৰকাশক**
**গ্ৰুহিলচ্ পাব্লিশ্বিং**

# আহাঁ ওমলোঁ আমি ঃ আগকথা

শিশু এজনে মাতৃগৰ্ভৰ পৰা ভূমিষ্ঠ হৈ পিতৃ-মাতৃৰ মুখৰ পৰা স্বতঃস্ফূৰ্তভাৱে যি ভাষা আয়ত্ব কৰে, তাকে 'মাতৃভাষা' বুলি কোৱা হয়। মাতৃভাষা শিকাটো শিশুৰ জন্মগত অধিকাৰ। শিশু এজনে মাতৃভাষা যিমান সহজে আয়ত্ব কৰিব পাৰে পৃথিৱীৰ আন কোনো ভাষা সিমান সোনকালে আৰু সহজভাৱে শিকিব নোৱাৰে। শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত মাতৃভাষাৰ কোনো তুলনা নাই। শিক্ষাবিদ আৰু দাৰ্শনিকসকলেও শিক্ষা আহৰণৰ ক্ষেত্ৰত মাতৃভাষাৰ গুৰুত্ব যে অপৰিসীম সেয়া কাহানিবাই স্বীকাৰ কৰিছে। মাতৃভাষাৰ গুৰুত্ব উপলব্ধি কৰি অসমীয়া কবি নৱকান্ত বৰুৱাদেৱে লিখিছে ঃ

"হয়তো নহ'ব পাৰে মোৰ ভাষা সবাতো সুৰীয়া
তথাপি আপোন মোৰ ভাষা,
তাৰেই প্ৰকাশ কৰো অন্তৰৰ ভাৱ কুমলীয়া
সুখ, দুখ, স্নেহ, শান্তি, আশা।"

কিন্তু দুখ আৰু পৰিতাপৰ বিষয় যে আজিকালি বহুতো পিতৃ-মাতৃ বা অভিভাৱক-অভিভাৱিকাই নিজৰ ল'ৰা-ছোৱালীক মাতৃভাষাৰ পৰিৱৰ্তে অইন ভাষাত, বিশেষকৈ ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰাবলৈ আগ্ৰহী হোৱা দেখা গৈছে। এয়া যে শুভ লক্ষণ নহয় সেয়া চিন্তাবিদসকলে নিশ্চয় স্বীকাৰ কৰিব। কাৰণ গৱেষণাৰ পৰা জনা গৈছে যে মাতৃভাষা ভালকৈ আয়ত্ব নকৰা কোনো ব্যক্তিয়েই বেলেগ ভাষা নিখুঁতকৈ শিকিব নোৱাৰে। দেখা গৈছে যে কিছু সংখ্যক পিতৃ-মাতৃয়ে নিজৰ সন্তানে দুই চাৰিটা ইংৰাজী বাক্য মুখস্থ কৰি ভাটৌৰ দৰে আওৰাব পাৰিলে গৌৰৱত ওফন্দি উঠে। কিন্তু দুই-চাৰিটা বাক্য মাতিব পাৰিলেই ভাষা এটা শিকা হ'ল বুলি ভাবিব নালাগে।

আনহাতে কিছুমান বেচৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহতো ল'ৰা-ছোৱালীক মাতৃভাষাৰ বৰ্ণমালা শিকোৱাৰ আগতেই ইংৰাজী বৰ্ণমালা শিকোৱাৰ প্ৰৱণতাই গা কৰি উঠিছে। এয়া নিশ্চয় অশুভ লক্ষণ।

গৱেষকসকলৰ পৰামৰ্শক্ৰমে আমি মাতৃভাষাৰ মাধ্যমত শিক্ষা জীৱন আৰম্ভ কৰাৰ পক্ষপাতী। সেয়ে নিম্ন প্ৰাক-প্ৰাথমিক শ্ৰেণীৰ পৰাই যাতে শিশুহঁত মাতৃভাষাৰ লগত পৰিচয় হ'ব পাৰে সেই উদ্দেশ্যে "আহাঁ ওমলোঁ আমি" কিতাপখন যুগুতোৱা হৈছে। কিতাপখনৰ প্ৰথমতে শিশুৰ মনস্তত্বৰ লগত সংগতি ৰাখি কিছুমান পদ্য, দ্বিতীয়তে অসমীয়া স্বৰবৰ্ণ আৰু শেষত ১ ৰ পৰা ১০ লৈ সংখ্যাবোৰ দিয়া হৈছে। পদ্যবোৰ ঘৰত ডাঙৰে আৰু বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে অংগীভংগী কৰি স্পষ্টকৈ শিশুহঁতক পঢ়ি শুনাব। এইবোৰ শিশুহঁতে মুখস্থ কৰাৰ ওপৰত জোৰ নিদিব। প্ৰতিটো পদ্য গাই শুনোৱাৰ আগতে বা পিছতে পদ্যটোৰ বিষয়বস্তুৰ ওপৰত এটা আমোদজনক পাতনি মেলিব। পদ্যত শিশুৰ বাবে অপৰিচিত শব্দ ওলালে অৰ্থটো বুজাই ক'ব।

এই কিতাপখনত থকা সৰহভাগ পদ্য আমাৰ গ্ৰহিলচ্ পাব্লিশ্বিং লিখক সমিতিৰ এজন অন্যতম সদস্য মাননীয় ৰাব্বি মছৰুৰে ৰচনা কৰি দিছে। এই পদ্যবোৰৰ কিছুমানত অগ্ৰজ কবিসকলৰ প্ৰভাৱ পৰিব পাৰে। লগতে শিশুমনৰ উপযোগী অন্যান্য কিছুমান প্ৰচলিত পদ্যৰ উপৰিও কেইজনমান কবিৰ পদ্য কিছুমানো কিতাপখনৰ শেষৰ পিনে সংযোজন কৰা হৈছে। এই চেগতে কবিক ধন্যবাদ দিয়াৰ লগতে অগ্ৰজ কবিসকলকো আমাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত মূল্যবান শস্য পথাৰত অপ্ৰয়োজনীয় ঘাঁহ-বন থকাৰ দৰে আমাৰ এই আঁচনিতো কিবা আসোঁৱাহ থাকি যাব পাৰে। সদাশয় শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা তথা শিক্ষাবিদসকলে আসোঁৱাহসমূহ উনুকিয়াই দি পৰৱৰ্তী সংস্কৰণসমূহ সৰ্বাঙ্গ-সুন্দৰ কৰাৰ বাবে দিহা-পৰামৰ্শ আগবঢ়ালে আমি কৃতজ্ঞ হৈ থাকিম। ইতি,

জুলাই, ২০১৬

প্ৰকাশক
গ্ৰহিলচ্ পাব্লিশ্বিং

(১)

মইনা আমাৰ ভাল
কন্দা-কটা নাই
গোটেইদিন পঢ়ি থাকে
কিতাপ এটি পাই।




(২)

ভবেন খুৰা, ভবেন খুৰা
বয়সে কৰিলে বুঢ়া
দাঁত কেইটা সৰি গ'ল
চকু দুটাও বহি গ'ল
উশাহ-নিশাহত কষ্ট হয়
খোজ কাঢ়োতে উজুটি খায়
সহায় কৰিবলৈ কোনো নাই।




(৩)

সুৰুয কাই, সুৰুয কাই
সোনকালে আহাঁ ওলাই
ডাৱৰখিনি আঁতৰাই
ৰ'দ দিয়া, ৰ'দ দিয়া।
লাজ-মান কাতি কৰি
গোটেই দিন ৰ'দ দিয়া।




(৪)

হাতী অ’, হাতী অ’
তুমি কিমান বলী
তোমাৰনো বয়স কিমান
কিমাননো পোৱালি ?
আছেনে  তোমাৰ নাতি-পুতি
শুনাবলৈ সিহঁতক সাধু
তোমাৰ শুঁৰডাল ইমান ডাঙৰ
নেজডাল দেখোন সৰু।




(৫)




অ’ কুলি,  অ’ কুলি
মোৰ কোলালৈ আহাঁ
মাহ দিম, বুট দিম
পেট ভৰাই খাবা।

(৬)

ককাৰ ঘৰলৈ যাম
খাম মিঠা আম
আইতাৰ মুখত সাধু শুনি
বৰ ভাল পাম।





(৭)


উট, উট, উট
উটৰ পিঠিত কুঁজ
তোমাৰ কোমল মঙহৰে
খুৱাবানে ভোজ?

(৮)

অ' ঋষি, অ' ঋষি
গছৰ তলত বহি
কাৰ নামনো জপ কৰা
চকু দুটা মুদি?



## (৯)



অ’ শিয়াল, অ’ শিয়াল
কিয় নিদিয়া হোৱা
হাঁহ কুকুৰা ধৰিবলৈ
যোৱানে নোযোৱা ?

## (১০)



অ’ বৰ নৈ, অ’ বৰ নৈ
ক’লৈনো যোৱা বৈ
বাটে বাটে পাৰ ভাঙি
যোৱানে বৈ সাগৰলৈ ?


## (১১)



বাঃ বাঃ বাঃ
টুনী চৰাইৰ বাহ
কণী পাৰি ৰখি আছে
গোটেই কাতি মাহ।

(১২)

ঔ গছত মৌচাক
চাক ভৰ্তি মৌ
বালি ভাত খাম বুলি
মাৰিলো বিলৰ ৰৌ।



(১৩)



অ জোনালী, অ' জোনালী
এই ফালে আহচোন
জোনবায়েনো কি কৰে
সুধি চোৱাচোন।

(১৪)

পাৰ চৰাই অ' পাৰ চৰাই অ'
কলৈনো যোৱা উৰি,
বেলি ডুবাৰ আগতেই
আহিবাচোন ঘূৰি।



(১৫)




চিলনী বাই, চিলনী বাই
ক'তনো তোমাৰ ঘৰ
গোটেই দিন উৰি উৰি
নেলাগেনে তোৰ ভাগৰ?

(১৬)



অ' কুলি, অ' কুলি
ক'ত পাৰিলা কণী
কাউৰী বাইয়ে গম পালে
কণী পেলাব ভাঙি।

(১৭)



ভেকুলীৰ বিয়া হ'লে
ৰ'দ দি দি বৰষুণ দিয়ে,
বাঘ বাঘিনীৰ জ্বৰ হ'লে
হাবি-বননিত জুই লাগে।

(১৮)




গহীন ৰাতি কেৰ্কেটুৱাই
পলাই পলাই তামোল খায়
কেৰ্কেটুৱাক ধৰিব নোৱাৰি
নেউলক বান্ধি কিলায়।

(১৯)




মইনা অ', মইনা অ'
কন্দা-কটা এৰি দিয়া
এয়া আনিছোঁ চক'লেট
হাত মেলি নিয়া।

(২০)



হাতী খুৰা, হাতী খুৰা
কলগছ খাবৰ মন
কিনি খালে গম পালাহেঁতেন
কিমান লাগেনো ধন।

(২১)



সিংহ হ'ল হাবিৰ ৰজা
নদীৰ ৰজা শিহু
সাগৰৰ ৰজা তিমি হেনো
বাইদেৱে কোৱা শুনো।

(২২)



অ' মেঘ, অ' মেঘ
বৰষুণ দিবা ৰাতি
দিনত আমি খেল খেলো
নাই আমাৰ ছাতি।

(২৩)



কইনা আমাৰ বগা মেকুৰী
পিঠি নোমেৰে ভৰা
এই বহাগত নিবলৈ আহিব
দিচাংমুখৰ দৰা।

## (২৪)



ভেকুলী অ’, ভেকুলী অ’
বৰষুণত তিতানো কিয়
তাতে আছে বেংছাতিটো
বুটলি নোলোৱানো কিয় ?
আহাৰ মাহৰ বৰষুণত
পথ-ঘাট হ’ল নষ্ট
শশুৰৰ ঘৰলৈ যোৱা ভাল
বাটতহে পাওঁ কষ্ট।


## (২৫)




এইবাৰ বহাগত মই
মামাৰ ঘৰলৈ যাম
মামাৰ ঘৰৰ সেন্দুৰীয়া আম
পেট ভৰাই খাম।
মামীয়ে মোক মৰম কৰিব
বৰ ভাল পাম
ককাইয়ে মোক সাধু শুনাব
শুনি মজা পাম।

(২৬)

ববছা বনত বনৰৌ
লুকা-ভাকু খেলে
তাকে দেখি হৰিণাই
ভিৰাই লৰ দিলে।



(২৭)




ক'লা ডাৱৰে মেঘ দিলে
হাঁহবোৰে হাঁহে,
সুৰুয কায়ে ৰ'দ দিলে
টপচ খুৰাই কাঁহে।



(২৮)


সৌৰা উৰিল ৰঙীন জিঞা
পিছ ললে ফটিক মিঞা,
জিঞা গ'ল ৰংপুৰত
ফটিক মিঞা পৰিল খালত।



## (২৯)

অ' মা, অ' মা
সোনকালে আহাচোন
দাপোণখনৰ ভিতৰত
সৌজনী কোন ?

মোৰ দৰেই ফ্ৰক তাইৰ
মোৰ দৰেই চুলি
মোৰ দৰেই কাণ দুখন
মোৰ দৰেই ভৰি।



## (৩০)




মা, মা অকন মৰম দিয়া
মা, অকন মৰম দিয়া
খেলি খেলি ভাগৰ লাগিল
লাগিল মোৰ পিয়াহ।

## (৩১)



অ’ ফুল, অ’ ফুল
তোৰ আই কোন
আছেনে তোৰ দেউতা
সঁচা কথা কোৱাচোন।

## (৩২)




ৰেল গাড়ী, ৰেল গাড়ী
ক’তনো তোৰ ঘৰবাৰী,
আজি দেখো ইয়াতে
কাইলৈ নাই,
পিছদিনা আকৌ দেখো
পৰহি দিনা নাই।
তোৰ বুকুত ইমান যাত্ৰী
ক’লৈনো যায়,
গোটেই দিন বহি থাকি
কিনো বাৰু খায়?

## (৩৩)

মই তোমাৰ আই
পেহীয়েক তাই
সি তোমাৰ ককাই হয়
কাকো নকৰে ভয়।
সৌজনী মাহীয়েক
এইজন ককায়েক
বুঢ়াজন তাৰৈ
বুঢ়ীজনী মাৰৈ।



## (৩৪)




আই গ'ল অফিচলৈ
দেউতা গ'ল পথাৰলৈ
বায়েকজনী কলেজলৈ
ককাই গ'ল খেলিবলৈ
ঘৰত মাথো মই আৰু ৰাম
গোটেই দিন টি. ভি. চাম
সাঁচি থোৱা পিঠা খাম
বাঃ বাঃ বৰ মজা পাম!

## (৩৫)

মোৰ নাম ছামিমা
অংকুৰ শ্ৰেণীত পঢ়োঁ,
ছাহৰিয়াৰ ককাই হয়
মই হ'লোঁ সৰু।
ৰিহান মোৰ ভাইটি
চক'লেট খায়,
মেকুৰীৰ মেও শুনি
বৰ ৰং পায়।




## (৩৬)




হালুৱা ককায়ে হাল বায়
বলদ দুটা লৈ
ৰাতিপুৱা হাল মাৰে
সন্ধিয়া দিয়ে মৈ।
মেঘে গৰ্জিলে ভয় পায়
হাল এৰি দৌৰি পলায়।

(৩৭)

কল  বল ফল
খল মল ছল
বৰ বৰ নল
অকনৰ ঘৰ দৰং
নদৰ ওপৰত দলং
টং টং টং
ঘটং মটং।



(৩৮)



মই এটি গছ
বৰ উপকাৰী
মই কৰোঁ শুৱনি
তোমাৰ ঘৰ-বাৰী।
মোক তুমি ৰুই দিবা
য'তেই ঠাই পোৱা।
ডাঙৰ হৈ ফল দিম
আৰু দিম ছাঁ
মোৰ তলত বহিবা
শীতল হ'ব গা।

(৩৯)

অ’ জোনালী, অ’ জোনালী
ক’লৈ যোৱা বাৰু
ধুনীয়াজনী হৈছা দেখোন
পিন্ধিছা যে খাৰু।

ৰংপুৰলৈ যাওঁ আমি
লগত খুৰাদেউ
ৰূপাহঁতৰ ঘৰত থাকিম
আছে বাইদেউ।


ৰংপুৰত ৰং আছে
আছে ৰংঘৰ
ওচৰতে আছে হেনো
মাটিৰ তলত ঘৰ।




শিৱদৌল চাম আমি
ৰুদ্ৰ সিংহই সজা
শিৱসাগৰ চাই আমি
পাম বৰ মজা।

## (৪০)

নতুন বছৰ বহাগত
খৰ হয় জেঠত।
আমৰ বতৰ আহাৰত
ভৰ বাৰিষা শাওনত।
গুৰুৰ তিথি ভাদ মাহত
আহিনত আৰম্ভ শৰৎ।
কুঁৱলী পৰে কাতি মাহত
ধান পকে আঘোণত।
বৰ শীত পুহত
ভোগালী মাঘৰ শেষত।
পছোৱা বয় ফাগুনত
বছৰ শেষ হয় চ'তত।






# শিয়াল



আজি ৰাতি নাহিবি শিয়াল
খাবলৈ হাঁহ কুকুৰা,
ভাইটিয়ে আনিছে বন্দুক এটি
ৰংপুৰ মেলাৰ পৰা।
তেওঁ পোহা কুকুৰ দুটাক
পিন্ধাই থৈছে টাই,
আহা যদি আজি ৰাতি
তোৰ ৰক্ষা নাই।
বন্দুকেৰে গুলি কৰি
সিপুৰীলৈ পঠাব,



তোৰ পোৱালিক ধৰি আনি
বন্দী কৰি থ'ব।
তোক বিচাৰি আহে যদি
তোৰ বুঢ়ী আই,



তাকো সি মাৰিব হেনো
লাঠিৰে কোবাই।
সেয়ে তই আজিৰ পৰা
আমাৰ ঘৰলৈ নাহিবি
হাবিৰ কোমল ঘাঁহ খাই
পেট পুহি থাকিবি।

# এক, দুই, তিনি, চাৰি




এক, দুই, তিনি, চাৰি
আমি হওঁ শাৰী শাৰী।
দুই, তিনি, চাৰি, পাঁচ
সুন্দৰ ঐনিতম নাচ।
তিনি, চাৰি, পাঁচ, ছয়
আমি কৰিম বিশ্বজয়।
চাৰি, পাঁচ, ছয়, সাত
গছৰ আগত কুঁহিপাত।
পাঁচ, ছয়, সাত, আঠ
মনপুতি পঢ়িবা পাঠ।
ছয়, সাত, আঠ, ন
কিতাপ-পত্ৰ মেলি ল।
সাত, আঠ, ন, দহ
দুষ্টালি এৰি পঢ়াত বহ।

# আমাৰে মইনা শুব এ’



আমাৰে মইনা শুব এ’
বাৰীতে বগৰী ৰুব এ’
বাৰীৰে বগৰী পকি সৰিব
আমাৰে মইনাই বুটলি খাব।

- *প্ৰচলিত*



# ৰ’দালি এ’ ৰ’দ দে


ৰ’দালি এ’ ৰ’দ দে
আলি কাটি জালি দিম
বৰ পীৰা পাৰি দিম
তাতে বহি ৰ’দ দে, ৰ’দ দে।
ৰ’দালিৰ মাকৰ কুট্‌কুৰা চুলি
ৰ’দালি পালেগৈ বিৰিণাৰ গুৰি।

- *প্ৰচলিত*

# শিয়ালী এ' নাহিবি ৰাতি

শিয়ালী এ' নাহিবি ৰাতি
তোৰে কাণ কাটি লগামে বাতি
শিয়ালীৰ মূৰতে মৰুৰা ফুল
শিয়ালী পালেগৈ ৰতনপুৰ।


- *প্ৰচলিত*



# আগুৰ গুৰ মাগুৰ জালি




আগুৰ গুৰ মাগুৰ জালি
ঘূৰীয়াৰ নাকত জৰী,
ঘোঁৰা গেল উতাৰে
শাল মাছে গুজাৰে।
শিঙি মাছে উজান ধৰে
বৰালীয়ে পিচে লৰে।



- *প্ৰচলিত*


# নাচ বুঢ়ী নাচ



নাচ বুঢ়ী নাচ
ঘাটৰ চেলেকনা মাছ,
তয়ো বুঢ়ী ময়ো বুঢ়ী
একেখন বিলৰে মাছ।

- *প্ৰচলিত*

# হাতী এ' হাতী



হাতী এ' হাতী
গোসাঁই ঘৰৰ কাঠি
ইও বোলে ধৰ্ ধৰ্
সিও বোলে ধৰ্ ধৰ্
আমাৰ বাপা উঠি
ভিৰাই মাৰে লৰ্।

- *প্ৰচলিত*

# বুঢ়া গ'ল হাটলৈ

বুঢ়া গ'ল হাটলৈ
কিনিব বুলি মাছ
তাকে দেখি বেজাৰ হৈ
বুঢ়ীয়ে ধৰিলে পাছ।

বুঢ়ীয়ে কয়, মাছ নাখাও
কিনিব লাগে লাও
লগতে আনিব কলা বেঙেনা
খিচিৰি বনাই খাও।



- *প্ৰচলিত*

# কাৰ সুখ নাই



সুখ নাই সুখ নাই ক'তো ধৰুৱাৰ,
অণুমাত্ৰ সুখ নাই চিৰৰুগীয়াৰ।
সুখ নাই যিটো সদা গোচৰত ফুৰে,
মাতৃৰ অসুখ যদি পুত্ৰ থাকে দূৰে।

- *বলদেৱ মহন্ত*

# এমুঠি মাটিৰে



এমুঠি মাটিৰে তোমাক স্রজন
কৰিছিল খনিকৰে
এতেকে হোৱা মাটিৰ সন্তান
বিনয় মাটিৰ দৰে।

- *পজিৰুদ্দিন আহমদ*

# প্ৰাৰ্থনা




নিচেই এধানি হিয়া প্ৰভু মোৰ
নিচেই এধানি হিয়া,
তোমাৰ কৰুণা বৰষি
ডাঙৰ হ'বলৈ দিয়া,
প্ৰভু, ডাঙৰ হ'বলৈ দিয়া।

- *মোচলেহ উদ্দিন আহমদ*

# মা ! মোক মৰম কৰা

মা ! মোক মৰম কৰা
অলপ মৰম কৰা,
মনটো দেখোন বেয়া লাগি আছে
আজি অথনিৰে পৰা।
কেতিয়াবা মই খেলি থাকিলেও
হঠাতে ওলোৱা আহি,
মোৰ খেলা চাই, মোৰ ফালে চাই
তুমিচোন থাকা হাঁহি।

- *অনন্ত দেৱশৰ্মা*



# বৰষুণ



টিপ্ টিপ্ টিপ্
বৰষুণ পৰে
আকাশৰ পানীবোৰ
পৃথিৱীত সৰে।
নই জান খাল বিল
ভৰি ভৰি যায়
কণ কণ ভেকুলীয়ে
মূৰ তুলি চায়।

- *যতিনাৰায়ণ শৰ্মা*

# পোহৰ পখিলা



পোহৰ দেশৰ পখিলাৰ জাকে
মোৰ ফুলনিত নাচে
নোহোৱা নোপোজা ফুলাম পাখিৰে
নকৈ চানেকী বাছে।

- *জ্যোতিপ্ৰসাদ আগৰৱালা*

# পখিলা



ৰঙা নীলা হালধীয়া
সৰু পখিলাই
কণ কণ পাখি মাৰি
উৰি উৰি যায়।
কোৱাচোন পখিলাটি
ক'তনো তোমাৰ ঘৰ
ক'ত আছে ভাই-ভনী
অতি মৰমৰ।
তোমাৰ লগত বাৰু নিবানে আমাক
নাচি নাচি আকাশত পাতি বলৈ জাক।

- *যতি নাৰায়ণ শৰ্মা।*

# অ-ফলা (স্বৰবৰ্ণ)

অ আ ই ঈ

উ ঊ ঋ


এ ঐ ও ঔ

# ১ পৰা ১০ লৈ অসমীয়া সংখ্যাবোৰ


১ (এক)




২ (দুই)




৩ (তিনি)




৪ (চাৰি)



৫ (পাঁচ)




৬ (ছয়)




৭ (সাত)



৮ (আঠ)



৯ (ন)



১০ (দহ)

